**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-MAR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপি আৰু কংগ্ৰেছ দলে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। ২৯ মাৰ্চ, ২ এপ্ৰিল আৰু ৭ এপ্ৰিলত গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে। ইয়াৰ লগতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ জ্যেষ্ঠ নেতা, জে পি নাড্ডা, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্নাৰিজ, ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চন্দ্ৰ মাঝি, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুকে ধৰি কেইবাগৰাকীও নেতাই বিজেপিৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

কংগ্ৰেছ দলেও কেইবাগৰাকীও তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লামডিং বিধানসভা সমষ্টি, হোজাই আৰু নগাঁও বটদ্ৰৱা বিধানসভা সমষ্টিত বিজয় সংকল্প সভাত অংশ ল'ব। ড° শৰ্মাই কালি ভৱানীপুৰ-সৰভোগ সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ প্ৰায় ২৫ কিলোমিটাৰজোৰা জন আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে এই নিৰ্বাচন সন্দৰ্ভত সাংবাদিকৰ আগত এইদৰে কয় –

**বাইট (চি এম)**

মাজুলী বিধানসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূবন গামৰ হৈ দলটোৰ জ্যেষ্ঠ নেতা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি চাৰিখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। অহা ২৯ মাৰ্চত মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাজুলীলৈ যোৱাৰ সম্ভাৱনা আছে। ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল সমষ্টিত কালি বিধায়ক পোণাকণ বৰুৱাৰ সৈতে এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী বিনোদ হাজৰিকাই সমষ্টিটোৰ মুখ্য কাৰ্যালয়ত এখন সভাত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুন বৰা, দেৱব্ৰত শইকীয়া আৰু মীৰা বৰঠাকুৰে কালি নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ লয়। দলৰ নেতা দেৱব্ৰত শইকীয়াই কালি নাজিৰা সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। একেদৰে দলৰ নেতা ৰিপুণ বৰাইও প্ৰচাৰ অভিযানত অংশ লয়।

০০০০০০

ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ ১২৪টা সমষ্টিত কালি মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৭৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। অৱশ্যে, অনুসূচিত জাতিৰ বাবে সংৰক্ষিত বৰপেটা আৰু ঢেকীয়াজুলি সমষ্টিৰ মনোনয়ন পত্ৰৰ পৰীক্ষা আজি দিনৰ এঘাৰ বজালৈ স্থগিত ৰখা হৈছে বুলি মুখ্য নিৰ্বাচন বিষয়াই সদৰি কৰিছে। সমষ্টি দুটাত মনোনয়ন পত্ৰ সন্দৰ্ভত প্ৰাৰ্থীৰ অভিযোগ-প্ৰতি অভিযোগৰ পৰিপ্ৰেক্ষিতত মুখ্য নিৰ্বাচন বিষয়াই মনোনয়ন

পত্ৰৰ পৰীক্ষাৰ সময় বৃদ্ধি কৰে। আনহাতে ইচ্ছুক প্ৰাৰ্থীসকলে কাইলৈ বিয়লি ৩ বজা পৰ্যন্ত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব।

উল্লেখযোগ্য যে **ডিব্ৰুগড়** জিলাৰ ছটা বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা ২৪ খন মনোনয়ন বৈধ হিচাপে বিবেচিত হৈছে। **মাজুলী** জিলাত কালি মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত আটাইকেইগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে।

**কামৰূপ** মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা ২৬ গৰাকী প্ৰাৰ্থীৰ আটাইকেইগৰাকীৰে মনোনয়ন বৈধ বুলি বিবেচিত হৈছে। একেদৰে **দক্ষিণ শালমাৰা মানকাচৰ** জিলাত মনোনয়ন দাখিল কৰা সাতগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পৰীক্ষাৰ অন্তত আটাইকেইগৰাকীৰে মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। **বজালী** জিলাত দুটা সমষ্টিৰ বাবে দাখিল হোৱা ১০ খন মনোনয়নৰ ভিতৰত এখন বাতিল হৈছে। মনোনয়ন পৰীক্ষাৰ অন্তত **ভৱানীপুৰ সৰভোগ** সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী মহম্মদ ৰহমান আলীৰ মনোনয়ন বাতিল কৰা হৈছে। **দৰং** জিলাত মনোনয়ন পত্ৰ পৰীক্ষণৰ পাছত দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছে। জিলাখনত ভোটাৰ্ছ পাৰ্টী ইণ্টাৰনেচনেলৰ চাইফুল চৌধুৰী আৰু নিৰ্দলীয় প্ৰাৰ্থী দিলীপ কুমাৰ বনিয়াৰ মনোনয়ন নাকচ হৈছে। জিলাখনত ১৯ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। **শ্ৰীভূমি** জিলাৰ ৪টা বিধানসভা সমষ্টিত দাখিল কৰা ৫৯ খন মনোনয়ন পত্ৰৰ ভিতৰত ৪ খন বাতিল হৈছে।

০০০০০০

মাজুলীৰ সংহত আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'বলৈ কালি এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত সাধাৰণ নিৰ্বাচন পৰ্যবেক্ষক শ্ৰীধৰ ছামকুৰি আৰু আৰক্ষী পৰ্যবেক্ষক মহম্মদ আশ্বিফ আলীয়ে জিলা নিৰ্বাচন বিষয়া সৃষ্টি সিং আৰু নিৰ্বাচনী কোষৰ ন'ডেল বিষয়াসকলৰ সৈতে নিৰ্বাচন পৰিচালনাৰ প্ৰতিটো দিশ বিতংভাৱে পৰ্যালোচনা কৰে। এই বৈঠকত পৰ্যবেক্ষকদ্বয়ে প্ৰতিটো কোষৰ কাম-কাজৰো অগ্ৰগতিৰ পৰীক্ষা কৰাৰ লগতে নিৰ্বাচন আয়োগৰ নিৰ্ধাৰিত সময়সূচী অনুসৰি সকলো দায়িত্ব নিকা আৰু ত্ৰুটিহীনভাৱে সম্পাদন কৰিবলৈ ন'ডেল বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা দিয়ে।

০০০০০০

**সমাপ্ত**